


## কে চি দাস কমাৰ্চ-মালয়বাৰী উচ্চতৰ মাধ্যমিকৰ চমক

# বাণিজ্যত গুৱাহাটীৰ বৰ্ষা বোথ্ৰা-সুকন্যা কুমাৰ শীৰ্ষত

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ৬ জুন ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আজি ঘোষিত ফলাফলত বাণিজ্য শাখাত শীৰ্ষস্থান দখলেৰে উজলিল কামৰূপ মহানগৰ জিলাৰ দুগৰাকী ছাত্ৰী। গুৱাহাটী কে চি দাস কমাৰ্চ কলেজৰ শিক্ষাৰ্থী বৰ্ষা বোথ্ৰা আৰু মালয়বাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থী সুকন্যা ■ ১০ পৃষ্ঠাত





# বাণিজ্যত গুৱাহাটীৰ বৰ্ষা বোথ্ৰা-সুকন্যা কুমাৰ শীৰ্ষত

কুমাৰে বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হয়। দুয়োগৰাকী মেধাৱী শিক্ষাৰ্থীয়ে ৪৭২ নম্বৰকৈ লাভ কৰিছে। আজি পুৱা ফলাফল ঘোষণা হোৱাৰ পাচতে ছাত্ৰী দুগৰাকীয়ে অধ্যয়ন কৰা শিক্ষানুষ্ঠানত উছৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। বৰ্ষা বোথ্ৰাৰ এই সাফল্যত উৎফুল্লিত হৈ পৰে ৰাজ্যৰ বাণিজ্য শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান কে চি দাস কমাৰ্চ কলেজৰ শিক্ষক-শিক্ষাৰ্থীসকল। উল্লেখযোগ্য যে মেধাৱী ছাত্ৰী বৰ্ষা বোথ্ৰাই ইংৰাজীত ৯৩, বিকল্প ইংৰাজীত ৯১, একাউনটেন্সিত ৯৯, বাণিজ্য অধ্যয়নত ৯১ আৰু বাণিজ্য গণিতত ৯৮ নম্বৰ লাভ কৰিছে। গুৱাহাটীৰ ৰিহাবাৰী নিবাসী ৰতনলাল বোথ্ৰা আৰু সংগীতা বোথ্ৰাৰ কন্যা বৰ্ষাৰ ভৱিষ্যতে চাৰ্টাৰ্ড একাউণ্টেণ্ট হোৱাৰ লক্ষ্য। পৰীক্ষাৰ সময়ত দৈনিক তিনি-চাৰি ঘণ্টাকৈ অধ্যয়ন কৰা মেধাৱী ছাত্ৰীগৰাকীয়ে নিজৰ সফলতা সন্দৰ্ভত সাংবাদিকৰ আগত কয়— 'ভাল ফলাফল লাভ কৰিবলৈ আৰম্ভণিৰে পৰা নিয়মীয়াকৈ পঢ়িব লাগে। যিখিনি সময় পঢ়া যায় সেইখিনি কেৱল পঢ়াতে মনোযোগ দিব লাগে। ভাল ফলাফল লাভ কৰিবলৈ দিন-ৰাতি সমান কৰি পঢ়াৰ কোনো প্ৰয়োজন নাই।' শীৰ্ষস্থান লাভ কৰা বৰ্ষাই মাক-দেউতাকৰ লগতে প্ৰতিগৰাকী শিক্ষাগুৰুক ধন্যবাদ জনায়। স্থান দখল কৰিব বুলি ভাবিছিল যদিও প্ৰথম স্থান লাভ কৰিব বুলি কেতিয়াও ভবা নাছিল বুলিও তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে বৰ্ষা বোথ্ৰাই আজৰি সময়ত গান শুনি ভাল পায়। পৰীক্ষাৰ আগলৈকে তেওঁ একাউণ্টেন্সি, বাণিজ্য গণিত আৰু অৰ্থনীতি বিষয়ত ঘৰুৱা শিক্ষকৰ সহায় লৈছিল। ইয়াৰ পাচত কে চি দাস কমাৰ্চ কলেজতে স্নাতক পঢ়িব বুলি বৰ্ষাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। মেধাৱী শিক্ষাৰ্থীগৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯০.৩৩ শতাংশ নম্বৰ লাভ কৰিছিল। উল্লেখযোগ্য যে এইবাৰ কে চি দাস কমাৰ্চ কলেজৰ মুঠ ২৯৮ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ১৯৩ গৰাকী প্ৰথম, ৬১ গৰাকীয়ে দ্বিতীয় আৰু ২৮ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। মহাবিদ্যালয়খনৰ ১০৩ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিছে।

■ **সোণাপুৰৰ প্ৰতিদিন বিশেষ সংবাদ ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বাণিজ্য শাখাত শীৰ্ষস্থান লাভ কৰি ডিমৰীয়ালৈ সুনাম কঢ়িয়ালে মেধাৱী ছাত্ৰী সুকন্যা কুমাৰে। ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান দখল কৰি উৎফুল্লিত হৈ পৰা সুকন্যাই নিজৰ সফলতা সন্দৰ্ভত সাংবাদিকৰ আগত কয়— 'বোজা এটা লৈ পঢ়িব নালাগে, যিখিনি পঢ়া যায় সেইখিনিকে ভালকৈ পঢ়িলে ভাল ফল লাভ কৰিব পাৰি। মাধ্যম শিক্ষাৰ হেঙাৰ নহয়।' উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলাৰ ক্ষেত্ৰীস্থিত শিক্ষাদূত গোপীনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী সুকন্যা কুমাৰ মালয়বাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ পৰা তেওঁ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ফলাফল ঘোষণাৰ পিচতে ছাত্ৰীগৰাকীয়ে অধ্যয়ন কৰা ক্ষেত্ৰীৰ শিক্ষাদূত গোপীনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে নাচি-বাগি আনন্দত আত্মহাৰা হোৱাৰ লগতে আটচবাজী ফুটাই আনন্দ-উল্লাস কৰে। বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰীগৰাকীক গামোচা-শৰাই আদিৰে অভিনন্দন জনায়। অসম গণ পৰিষদৰ মুখপাত্ৰ ড° তপন দাস, আন্তঃডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভানেত্ৰী বৰষা মেধি, সাধাৰণ সম্পাদক পৰাগ বৰুৱা, শিক্ষানুৰাগী ব্যক্তি দিলীপ বৈষ্ণৱকে ধৰি বহুজনে মেধাৱী ছাত্ৰীগৰাকীক শৰাই, জাপি, গামোচা আদিৰে সম্বৰ্ধনা জনায়। ইপিনে শিক্ষাদূত গোপীনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা ভৰালী এডুকেচন ফাউণ্ডেচনৰ অন্যতম গুৰি ধৰোতা, ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামচৰণ ভৰালীয়ে তেওঁৰ শিক্ষা অনুষ্ঠানত শিক্ষা গ্ৰহণ কৰি সুনাম কঢ়িয়াই অনা ছাত্ৰীগৰাকীৰ শৈক্ষিক ফলাফলত অত্যন্ত সুখী অনুভৱ কৰাৰ লগতে কৃতী ছাত্ৰীগৰাকীৰ শৈক্ষিক ফলাফলত অত্যন্ত সুখী অনুভৱ কৰাৰ লগতে কৃতী ছাত্ৰীগৰাকীক নগদ এক লাখ টকা প্ৰদান কৰাৰ কথা ঘোষণা কৰে। দুই-এদিনতে বিদ্যালয়ত অনুষ্ঠিত কৰিবলগীয়া এক অনুষ্ঠানত এই ধন প্ৰদান কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। মুঠ ৪৭২ নম্বৰ লাভ কৰি বাণিজ্য বিভাগৰ শীৰ্ষত থকা সুকন্যাই সকলোৰে আশা কৰাধৰণে এনে এটা ফলাফল লাভ কৰাত সুখী হোৱা বুলি ব্যক্ত কৰে। এই সন্দৰ্ভত মেধাৱী শিক্ষাৰ্থীগৰাকীয়ে কয়— 'পঢ়া-শুনাৰ কোনো নিৰ্দিষ্ট সময় নাছিল। সময় পালেই অধ্যয়ন কৰিছিল। মালয়বাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিষয় শিক্ষয়িত্ৰী বৰ্ণালী বৰাৰ দ্বিতীয় কন্যা সুকন্যাই আজিৰ এই সাফল্যৰ বাবে ভগৱান, প্ৰয়াত পিতৃ ভৱকান্ত কুমাৰ, মাতৃ বৰ্ণালী বৰা, বায়েক আৰু দুয়োখন বিদ্যালয়ৰে শিক্ষাগুৰুসকলক ধন্যবাদ জনায়। কিতাপ পঢ়ি বিশেষকৈ উপন্যাস পঢ়ি ভালপোৱা সুকন্যাই আজৰি পৰত গান গুণগুণাই আৰু ছবি আঁকিও ভাল পায়। বেংকিং, চি এ আৰু অসামৰিক সেৱাৰ প্ৰতি দুৰ্বলতা থকা মেধাৱী ছাত্ৰীগৰাকীয়ে বি কম অধ্যয়ন সমাপন কৰাৰ পিচতহে সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব বুলি জনায়।